বেলতলা মহাবিদ্যালয় আলোচনী

# গৰিমা




**তত্বাৱধায়ক**

সাধনা কালিতা

বর্ণালী মহন

**সম্পাদক**

নয়নজ্যোতি ভূঞা

# মহাবিদ্যালয় আন্তঃগাথনিৰ কিছু চিত্ৰায়ণ



# গৰিমা

## বছৰেকীয়া মুখপত্ৰ

ষষ্ঠদশ সংখ্যা

BELTOLA COLLEGE
तमसो मा ज्योतिर्गमय
GUWAHATI-28. ESTD. 1983

## বেলতলা মহাবিদ্যালয়

২০১৭-১৮ বৰ্ষ


তত্ত্বাৱধায়ক

সাধনা কলিতা
বৰ্ণালী মহন

সম্পাদক

নয়নজ্যোতি ভূঞা

GARIMA : The Annual Magazine of Beltola College, Bongaon, Beltola, Guwahati-28, Edited by the Nayanjyoti Bhuyan published on behalf of Beltola College Student's Union, 2017-2018

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| অধ্যক্ষ | ঃ | ড° অজিত বৰকটকী |
| সম্পাদক | ঃ | নয়নজ্যোতি ভূঞা |
| তত্ত্বাৱধায়ক | ঃ | সাধনা কলিতা<br>বৰ্ণালী মহন |
| সদস্য | ঃ | পংকজ কলিতা, দিব্যজ্যোতি ডেকা |
| অংগসজ্জা | ঃ | সম্পাদনা সমিতি |
| প্ৰকাশক | ঃ | বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা |
| মূদ্ৰণ | ঃ | জেনেচিছ্ প্ৰিন্টাৰ্চ এণ্ড পাব্লিচাৰ্ছ প্ৰাঃ লিঃ, গুৱাহাটী-৩৬ |

# শ্ৰদ্ধাঞ্জলী



*"সোনৰ খাৰু নালাগে মোক*
*বিয়াৰ বাবে আই*
*চেনেহ জৰী তই দিয়া মোক*
*হাততে শুৱাই"*

এই শুৱলা গীতটি - য'ৰ পৰাই বতাহত ভাঁহি নাহক আমি সকলোৱে তন্ময় হৈ শুনো। সেই গৰাকী কোঁকিলকণ্ঠী গায়িকা যাৰ কণ্ঠই আমাৰ দেহ মন শাঁত পেলাই আমাক ঐশ্বৰিক জগতলৈ লৈ যায় তেওঁ আছিল অসমৰ নাইটিংগল শ্ৰদ্ধাৰ প্ৰয়াত দীপালী বৰঠাকুৰ বাইদেউ। তেখেতৰ জন্ম হৈছিল শিৱসাগৰৰ সোনাৰিত, ১৯৪১ চনৰ ৩০ জানুৱাৰীত। দীৰ্ঘদিন অসুস্থতাৰ অন্তত ২০১৮ চনৰ ২১ ডিচেম্বৰত এই গৰাকী কোঁকিলকণ্ঠী গায়িকাই পৰমধামলৈ গতি কৰে। তেখেতৰ জীৱনযোৰা সাধনাৰ ফলত অসমীয়া জাতিয়ে পালে অনেক সুৰীয়া মনচুই যোৱা গীতৰ সফুঁৰা। ১৯৫৮ চনত তেখেতে সংগীত জগতত ভুমুকি মাৰে। তেখেতে সংগীত পৰিবেশন কৰা প্ৰথম অসমীয়া ছবি খন আছিল "লাচিত বৰফুকন"। ১৯৯৮ চনত তেখেতে সংগীত জগতৰ সফলতাৰ চিন স্বৰূপে ভাৰত চৰকাৰৰ পৰা লাভ কৰে পদ্মশ্ৰী উপাধি।

সংগীতৰ পথাৰখন চহকী কৰা এই গৰাকী কোঁকিলকণ্ঠী গায়িকাই স্বনামধন্য চিত্ৰশিল্পী শ্ৰদ্ধাৰ নীলপৱন বৰুৱা দেৱৰ লগত যুগ্ম জীৱন আৰম্ভ কৰে ১৯৭৬ চনত। তেখেতৰ চিৰ যুগমীয়া গীতৰ সুবাস দুগুণে বৃদ্ধি কৰে তেওঁলোকৰ যুগলবন্দীয়ে। এই গৰাকী অসম তথা ভাৰত গৌৰৱ মহিয়সী নাৰীক বেলতলা মহাবিদ্যালয়ৰ আলোচনী "গৰিমা" ৰ জৰিয়তে শ্ৰদ্ধাঞ্জলী যাচিলো। তেখেতৰ আত্মাই স্বৰ্গৰাজ্যত বসতি কৰক।

ওঁম শান্তি——



জন্ম ঃ- ২৫ ডিচেম্বৰ ১৯২৪
মৃত্যু ঃ- ১৬ আগষ্ট ২০১৮

মহান গুণৰ অধিকাৰী ভাৰতৰ প্ৰধান মন্ত্ৰীৰ আসন তিনিবাৰকৈ শুৱনি কৰা অটল বিহাৰী বাজপেয়ী এজন ডাঙৰ ৰাজনীতিবিদ আছিল। তেওঁ দেশৰ আৰ্থ সামাজিক উন্নয়ণত বিশেষ অৱদান আগবঢ়ায় গৈছে। উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক ক্ষেত্ৰত তেখেতৰ অৱদান শলাগিবলগীয়া। তেখেতে তেখেতৰ কৰ্মৰাজিৰ বাবে ১৯১৫ চনত ভাৰত ৰত্ন সন্মান লাভ কৰে। অটল বিহাৰী বাজপেয়ী কবি সাহিত্যিক হিচাপেও সমাজত বিশেষভাৱে সমাদৃত। দেশৰ প্ৰতি থকা ভক্তি আৰু মৰম তেওঁ লিখা কবিতা পুথি আৰু গ্ৰন্থ ৰাজিৰ পৰা বুজি পোৱা যায়। এই জন মহান ব্যক্তিলৈ আমাৰ বাৰ্ষিক আলোচনী 'গৰিমা'ৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলী নিবেদন কৰিলোঁ।

ওঁম শান্তি——

# মহাবিদ্যালয় সংগীত

আজি মুখৰিত মৈদাম বেলতলা
বেলতলা মহাবিদ্যালয়ৰ গৰিমা আমি

জ্ঞানৰ দুৱাৰ মেলি ব'লা যাওঁ আগবাঢ়ি
বিলাও ধৰাত পোহৰ অকণি
বেদীত জ্বলিছে জ্ঞান প্ৰদীপৰ শাৰী
আমি বান্ধিলো একতাৰ এনাজৰী

সন্ধ্যাচলৰ সৌ ত্ৰিধাৰাত আছে যে আজি বাজি
কত শত-সহস্ৰ বছৰৰেই বেদধ্বনি
তাৰে এটি মহামন্ত্ৰ আনি
বিলাও গোটেই জগত জুৰি

মহামিলনৰ এই মহাপীঠত
সাধনাৰ শিখা জ্বলে আমাৰ শিৰত
নাই ভেদা-ভেদ আমাৰ একেই আশা
জাতি-ধৰ্ম আৰু বৰ্ণ-ভাষা

**ৰচনা ঃ মৃগেন্দ্ৰ নাথ শৰ্মা**

মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ
সুৰ ঃ চবিন বৰ্মন

সৰ্বানন্দ সোণোৱাল

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী



দিছপুৰ - ১৮-১১-২০১৮

# শুভেচ্ছাবাণী

ঐতিহ্যমণ্ডিত বেলতলা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'গৰিমা' প্ৰকাশৰ বাবে যো-জা চলোৱা হৈছে বুলি জানিবলৈ পাই মই সুখী হৈছো।

শিক্ষা হ'ল প্ৰজ্ঞা আৰু বিকাশৰ মূল সমল। শিক্ষাৰ জৰিয়তেহে সমাজ এখন পোহৰাই তোলাটো সম্ভৱ আৰু ইয়ে মানুহক ইতিবাচক দিশেৰে আগবাঢ়ি যাবলৈ এক ইতিবাচক পৰিৱেশৰ নিৰ্মাণ কৰে। সৃজনীশীল চিন্তাধাৰাৰ উন্মেষৰ ক্ষেত্ৰতো শিক্ষাই সদায়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। শিক্ষানুষ্ঠানৰ মুখপত্ৰ এখনে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ উন্মেষত সহায় কৰাৰ উপৰি অঞ্চলটোৰ ইতিহাস, বিভিন্ন শিক্ষামূলক দিশ অৱলোকনেৰে জ্ঞান বৰ্ধনতো সহায় কৰে। বেলতলা মহাবিদ্যালয়ে ইয়াৰ প্ৰতিষ্ঠাকালৰে পৰা শিক্ষাৰ্থী সকলৰ মাজত গুণগত শিক্ষাৰ বিকাশ, উপযুক্ত মানৱ-সম্পদ গঢ় দিয়া আৰু সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টিত অনৱদ্য অৱদান আগবঢ়াই আহিছে। মহাবিদ্যালয়খনে ভৱিষ্যতেও শৈক্ষিক উত্তৰণৰ দিশত ইতিবাচক বৰঙণি আগবঢ়াই যাব বুলি আশা কৰিলোঁ।

বেলতলা মহাবিদ্যালয়ৰ মুখপত্ৰখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশৰ কামনা কৰাৰ লগতে মুখপত্ৰখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলোঁ।

(সৰ্বানন্দ সোণোৱাল)

সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O. : GAUHATI UNIVERSITY, GUWAHATI - 781 014

প্ৰসঙ্গ ঃ

দিনাংক ঃ ২৫-১১-২০১৮

# শুভেচ্ছা

গুৱাহাটী মহানগৰীৰ ঐতিহ্যমণ্ডিত বেলতলা মহাবিদ্যালয়ৰ মুখপত্ৰ "গৰিমা" প্ৰকাশ কৰাৰ বাবে যো-জা কৰা বুলি জানিবলৈ পাই অতি আনন্দিত হ'লো।

বৰ্তমান সময়ৰ ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰী সকলৰ সুৰক্ষিত শৈক্ষিক ভৱিষ্যতৰ বাবে ফলপ্ৰসু পদক্ষেপৰ লগতে ভাল শিক্ষা, ভাল শিক্ষানুষ্ঠান আৰু উপযুক্ত সংস্থাপনৰ প্ৰয়োজন।

মুখপত্ৰ 'গৰিমা'ত অসমৰ জাতীয় জীৱন সকলো দিশ প্ৰতিফলন ঘটাৰ লগতে অসমৰ বৌদ্ধিক ক্ষেত্ৰখনক সঠিক দিশত আগবঢ়ায় নিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি গভীৰ বিশ্বাস ৰাখিলো।

অসমৰ খিলঞ্জীয়া মানুহৰ পৰিচয় ৰক্ষাৰ মূল বিষয়টোৰ লগতে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক চিন্তা-চৰ্চাক প্ৰতিফলন ঘটিব বুলি আশা কৰিলোঁ।

বেলতলা মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী সকললৈ শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ শুভেচ্ছা জনালোঁ।

(ড° সমুজ্জ্বল ভট্টাচাৰ্য)
মুখ্য উপদেষ্টা

OFFICE OF THE PRINCIPAL
# BELTOLA COLLEGE
P.O.- BELTOLA, GUWAHATI-781028, KAMRUP (M), ASSAM
Permanently affiliated to G.U. Registered under 2 (f) & 12 (B) of UGC's Act 1956
Website : www.beltolacollege.edu.in, Email : collegebeltola@gmail.com
Phone : 0361-2303853 (O), 9854006663 (M)

Ref. No. : B.C./2015/Garima/102/1260

Date : 30/8/2019




MESSAGE FROM THE PRINCIPAL

I am really very glad to bring out this message for our college magazine "GARIMA" released for the academic year 2017-18. The college magazine is an emblem of pride and microscopic depiction of the educational institution. This magazine gives a platform for the encouragement of innovation, imagination and nurtures the talents and skills of the young generation. This college magazine is well intended to bring out the secret literary and proficiency talents among all the students and teachers and inculcates leadership, competence and fineness within their minds.

I congratulate and thank all the students and teachers who have made their best efforts to publish this magazine. I wish them all success.

You are doing a great work ---- keep it up!!

Dr. Ajit Borkotoky
Principal Beltola College
Guwahati

Principal
Beltola College
Guwahati-28

OFFICE OF THE PRINCIPAL
**BELTOLA COLLEGE**
P.O.- BELTOLA, GUWAHATI-781028, KAMRUP (M), ASSAM
Permanently affiliated to G.U. Registered under 2 (f) & 12 (B) of UGC's Act 1956
Website : www.beltolacollege.edu.in, Email : collegebeltola@gmail.com
Phone : 0361-2303853 (O), 9854006663 (M)

Ref. No. : ....................

Date : 02/09/2019



## MESSAGE FROM THE PRESIDENT OF GOVERNING BODY

I am glad to learn that Beltola College is going to publish their Annual College Magazine "GARIMA" for the session 2017-2018. It is a strong medium to exercise the intellectual qualities of the students.

I wish all success and hope the magazine will be beneficial to all concerned.

Hare Krishna Gayan
President,
Beltola College Governing Body
Beltola, Guwahati-781028




**Sitting from Right :** Pankaj Kumar Kalita (Asstt. Prof.), Bornali Mohan (Asstt. Prof.), Sadhana Kalita (Asstt. Prof.) Dibyajyoti Deka (Asstt. Prof.)

**Standing from Right :** Nayanjyoti Bhuyan, Nurul Islam




**Sitting from Right :** Abhijit Banikya, Garishmita Devi, Manjit Phansu, Jitu Sarma

**Standing from Right :** Anupal Neog, Nurul Islam, Nayanjyoti Bhuyan, Gyandeep Sarma

# Activities of Various Department Gallery












Reading Room


Teachers Common Room


Office Room



Swahid Bedi


Swahid Tarpan




Library Room





Library Room




## এই সংখ্যাৰ প্ৰসংগত —

বেলতলা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'গৰিমা'ৰ এয়া ষষ্ঠদশ সংখ্যক প্ৰকাশ। 'গৰিমা'ই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক তথা বৌদ্ধিক চিন্তাধাৰা বিকাশৰ ক্ষেত্ৰত অনবদ্য অৰদান আগবঢ়াই আহিছে। এই সংখ্যাক 'গৰিমা'ত ছাত্ৰ-ছাত্ৰী সকলৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী তথা কাৰ্যালয়ৰ কৰ্মচাৰী সকলৰ ভিন্নধৰ্মী গল্প, কবিতা, প্ৰবন্ধ আদি সন্নিৱিষ্ট কৰা হৈছে। লগতে বিশিষ্ট লেখকৰ প্ৰবন্ধ আৰু সাক্ষাৎকাৰৰ অৰ্ন্তভুক্তিৰে এটি অতিথি শিতানও ৰখা হৈছে। ছাত্ৰ-ছাত্ৰী সকলৰ সৃষ্টিশীল লিখনিৰ মাজেৰে 'গৰিমা' সদায়েই পৰিস্ফুত হৈ থাকক — এয়েই আমাৰ কামনা। আলোচনীখনৰ সফল ৰূপায়ণত দিহা পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা সকলোলৈকে আমি অন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

**সাধনা কলিতা**
**বৰ্ণালী মহন**
তত্বাৱধায়ক, 'গৰিমা'

# সূচীপত্ৰ


| | | |
|---|---|---|
| সাক্ষাৎকাৰ - (দ্বিপেন বৰুৱা) | সাক্ষাৎ গ্ৰহণ জ্ঞানদ্বীপ শৰ্মা আৰু পৰশমনি ভাগৱতী | ১৭ |
| অৰণ্য মানৱ পদ্মশ্ৰী যাদব পায়েং | ভাৰতী দেৱী | ১৯ |
| শংকৰদেৱৰ দৰ্শনত ঈশ্বৰ আৰু ভক্তি | নাচমিন আৰা বেগম | ২০ |
| পৰীক্ষা | সম্পূণা শৰ্মা | ২১ |
| মৈদাম ঃ অসমীয়া স্থাপত্যৰ অনুপম নিদৰ্শন | ৰশ্মিৰেখা হাজৰিকা | ২২ |
| ঐতিহ্যমণ্ডিত উত্তৰ গুৱাহাটীৰ শ্ৰীশ্ৰী আউনীআটি সত্ৰ | গৰিস্মিতা দেৱী | ২৪ |
| অসম বিধান সভাৰ মজিয়াত | পৰশমনি ভাগৱতী | ২৮ |
| পৃথিৱীৰ ক্ষুদ্ৰতম চৰাই 'হামিংবাৰ্ড' | সুমন ডেকা | ২৯ |
| বিশ্ব-শান্তি স্থাপনত ভাৰতৰ ভূমিকা | বিক্ৰম মণ্ডল | ৩০ |
| ভাৰতীয় সংবিধানৰ ইতিহাস | বৰ্ণালী কলিতা | ৩২ |
| সুৰৰ সপোনে সপোনে তেওঁ | ৰাজীৱ শৰ্মা | ৩৪ |
| উত্তৰ গুৱাহাটীৰ ঐতিহাসিক স্থান | অঙ্গনা তালুকদাৰ | ৩৬ |
| কলেজীয়া জীৱনৰ অভিজ্ঞতা | ৰঞ্জু ৰাভা | ৩৮ |
| আধুনিক সভ্য সমাজত নাৰীৰ সুৰক্ষা | জুৰি ডেকা | ৩৯ |
| পৰমাণু শক্তি আৰু ভাৰতবৰ্ষ | সুমন ডেকা | ৪০ |
| ড° এ.পি.জে. আব্দুল কালামৰ কলেজীয়া জীৱন | দীপালী মজুমদাৰ | ৪৩ |
| অটল বিহাৰী বাজপেয়ীৰ জীৱন কথা | ৰহিমা বেগম | ৪৫ |
| আত্মহত্যা ঃ এক সামাজিক সমস্যা | ধুনু বড়ো | ৪৮ |
| মেণ্ডেলিভ এজন বিজ্ঞানী (১৮৩৪-১৯০৭) | অঙ্কুৰ জ্যোতি বৰ্মন | ৫১ |
| অনুৰাগ | সম্পূৰ্ণা শৰ্মা | ৫৩ |
| মাদাৰ টেৰেছাৰ জীৱনী | চন্দ্ৰস্মিতা ফুকন | ৫৪ |
| মই জুলিয়েটে কৈছো | মিতালী লহকৰ | ৫৬ |
| কবিতা বিভাগ | | ৫৯-৬৯ |
| প্ৰাচীৰ পত্ৰিকাৰ পৰা | | ৬৯-৭০ |
| অন্যান্য শিতান | | ৭১-৭৪ |
| Female Voice in Assamese Poetry | Dr. Tapati Baruah Kashyap | ৭৭ |
| Bamboo Cultivation And Employment Opportunities in Rural Assam | Sadhana Kalita | ৮০ |
| The importance of Godot in Beckett's play 'waiting for Godot.' | Pankaj Kumar Kalita | ৮২ |
| How helpful is the Art of Conversation | Priyanka Basumatary | ৮৫ |
| Srimanta Sankaradeva | Bornali Mohan | ৮৭ |
| THE UPS AND DOWNS | Md. Kamaruj Jaman | ৮৯ |
| A Trip to Hajo | Chandrasmita Phukan | ৯৪ |
| TEACHER | L. Rachel Aimol | ৯৬ |
| TRIP TO THE LAND OF KING JAIPUR | Anupal Sraban Neog | ৯৭ |
| A TRIP TO SOWALKUCHI | Simi Baishya | ১০১ |
| JAIPUR My Trip to Land of Royalty in India | Ruhan Das | ১০৩ |
| धूमिल की 'मेरी कविता' | दिव्यज्योति डेका | ১০৯ |
| देश में आज नव जागरण चाहिए | Deepa Kumari | ১১১ |
| आलू की सगाई | Deepa Kumari | ১১১ |
| जीवन | Sweta Kumari | ১১২ |
| सरस्बती माँ | Rubina Sultana | ১১২ |
| चुटकुले | | ১১৩ |
| बसपन | Chanda Kanta | ১১৩ |

# আলোচনী

## সম্পাদকৰ কলমৰ পৰা.....



**“ভয় লগা নৈঃ শব্দৰ মাজতো পানী ফালি ফালি**
**শব্দ কৰি আগবাঢ়িছিল আমাৰ গাওঁ**
**অৱশেষত ধুমুহা বৰষুণ নোপোৱা উপত্যকাটোৰ**
**নীলা পতাকা আমাৰ চকুত জিলিকি উঠিছিল।”**

জয়জয়তে পৰম কৰুণাময় নেদেখা জনাৰ ওচৰত সশ্ৰদ্ধ প্ৰণিপাত জনাই মই এই বছৰৰ ‘গৰিমা’ৰ সম্পাদকৰ তৰফৰ পৰা একলম লিখিবলৈ লৈছো।

প্ৰতিটো বছৰৰ দৰে এই বছৰো বেলতলা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ ‘গৰিমা’ উলিয়াবলৈ মানস কৰা হৈছে। গতিকে ‘গৰিমা’ৰ সম্পাদনা সমিতি বিষয়ববীয়াসকল, শিক্ষক-শিক্ষয়ত্ৰীসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ আশা সুধীয়া চেষ্টাত ‘মুখপত্ৰখনৰ কাম হাতত লোৱা হয়। মোক ইয়াৰ দায়িত্বভাৰ দিয়া বাবে নথৈ কৃতাৰ্থ হৈছো। এই মুখপত্ৰ খনৰ লিখনিৰ জৰিয়তে যাতে সকলোৱে জ্ঞানাৰ্জন কৰি উন্নতিৰ শিখৰত উপনীত হ’ব পাৰে সেয়ে মোৰ কামনা। যিসকলে মোক বিভিন্ন ধৰণৰ লিখনি আগবঢ়াই মুখপত্ৰখন প্ৰস্তুত কৰিবলৈ সুবিধা দিলে সেইসকলক মোৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

শেষত বেলতলা মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়ত্ৰীৰ লগতে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু ‘গৰিমা’ সম্পাদনা সমিতিৰ বিষয়ববীয়াসকললৈ অশেষ ধন্যবাদ জনালোঁ। সন্মানপূৰ্বক শ্ৰদ্ধা তথা অকৃত্ৰিম মৰম আগবঢ়ালোঁ মহাবিদ্যালয়খনলৈ। আটাইৰে ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ’লো।

**জয়তু বেলতলা মহাবিদ্যালয়**
**জয়তু বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা**


ধন্যবাদেৰে ——
**নয়নজ্যোতি ভূঞা**
আলোচনী সম্পাদক, ছাত্ৰ একতা সভা

# ছাত্ৰ একতা সভাৰ ২০১৭-১৮ বৰ্ষৰ সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পোনতে অসমৰ জাতীয় স্বাৰ্থ ৰক্ষাৰ হকে ত্যাগ স্বীকাৰ কৰা বীৰ-বীৰঙ্গনা সকলোলৈ শ্ৰদ্ধাঞ্জলী নিবেদন কৰিছোঁ আৰু লগতে সকলো দূৰদৰ্শী পৰমপূজ্য মহান ব্যক্তিসকললৈ মোৰ তৰফৰ পৰা প্ৰণিপাত জনাইছো। প্ৰথমতে যিসকল ব্যক্তিৰ সঠিক নেতৃত্ব, পৰিশ্ৰম আৰু অপৰিসীম ত্যাগৰ ফলত বেলতলা মহাবিদ্যালয়খনক উন্নতিৰ পথত আগুৱাই নিয়াত সহায় কৰিছে। দ্বিতীয়তে এই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° অজিত বৰকটকীদেৱ আৰু সমূহ শিক্ষক-শিক্ষয়ত্ৰী বৃন্দলৈ শ্ৰদ্ধা আৰু সেৱা যাছিলোঁ।

বেলতলা মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সভাপতি পদত মোক নিৰ্বাচন কৰাৰ বাবে মই সকলোকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। পোন প্ৰথমবাৰৰ বাবে সভাপতিৰ পদ অলংকৃত কৰিবলৈ পাই মই নিজকে ধন্য মানিছো সেই মুহূৰ্তৰ পৰাই এই মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত আৰু অধিক সতৰ্ক আৰু কৰ্তব্য পৰায়ণ হৈ পৰিছিলো লগতে মহাবিদ্যালয়ৰ তৰফৰ পৰা আগবঢ়োৱা দায়িত্বসমূহ বহুখিনি ক্ষেত্ৰত নিষ্ঠা সহকাৰে পালন কৰিছোঁ বুলি আশা ৰাখিলোঁ। ভুলক্ৰমে হয়তো কৰ্মক্ষেত্ৰত কিছু খাম-খেয়ালিৰ সন্মুখীন হ'ব পাৰো তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমাৰ প্ৰাৰ্থী।

সদৌ শেষত মই বেলতলা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° অজিত বৰকটকীদেৱ ছাৰ, মোৰ কাৰ্যকালৰ তত্বাবধায়কৰ দায়িত্বত থকা ছাৰ-বাইদেউক মই আন্তৰিক শ্ৰদ্ধা আৰু প্ৰণাম যাচিলোঁ লগতে মোৰ প্ৰতিটো খোজতে সহায় কৰা শিক্ষাগুৰুসকল তথা ছাত্ৰ-একতা সভাৰ সমূহ সদস্যবৃন্দ আৰু মোৰ বন্ধু-বান্ধবী, দাদা-বাইদেউ সকললৈ মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে যাতে এক মূল্যবোধ সম্পন্ন ভৱিষ্যত বাণী আৰু দায়িত্বশীল ব্যক্তি হিচাপে গঢ় লৈ উঠে তাৰে কামনা কৰিলো। সৰ্বশেষত 'গৰিমা'ৰ দীৰ্ঘজীৱন কামনা কৰি মই মোৰ প্ৰতিবেদনৰ মোখনি মাৰিলো।

**জয়তু বেলতলা মহাবিদ্যালয়**
**জয়তু বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা**
**জয় আই অসম।।**

শ্ৰদ্ধাৰে
**অভিজিৎ বনিক্য**
সভাপতি
বেলতলা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
২০১৭-১৮ বৰ্ষ

# অসমীয়া বিভাগ

# অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েং



ভাৰতী দেৱী
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

অসমৰ যোৰহাট জিলাৰ ককিলামুখ ১ নম্বৰ মিচিংগাৱঁৰ ৫ নং স্পাৰত থকা 'মোলাই কাঠনিবাৰী'ৰ স্ৰষ্টা অৰণ্যমানৱ পদ্মশ্ৰী যাদৱ পায়েং। ১৩৬০ একৰ মাটিৰে ৱৰলুইতৰ বালিচাপৰিত এই অৰণ্যখন সৃষ্টি কৰোতে যাদৱ পায়েঙৰ ৩০ বছৰ লাগিছিল। স্থানীয় সমাজত 'মোলাই' নামেৰে পৰিচিত যাদৱ পায়েঙ সৃষ্টি এই অৰণ্যখনক 'মোলাই কাঠনিবাৰী' নামেৰে নামাকৰণ কৰা হয়।

বালিগাঁও প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা দিনৰে পৰা গছপুলি ৰুই ভালপোৱা যাদৱ পায়েঙে ১৯৮০ চনত গোলাঘাট জিলাৰ বনবিভাগে ককিলামুখৰ ওচৰৰ ঔনামুখ চাপৰিত ২০০ হেক্টৰ মাটিত বৃক্ষৰোপণ আঁচনিৰ পাঁচ বছৰীয়া প্ৰকল্পত এগৰাকী কৰ্মীৰূপে অংশগ্ৰহণ কৰে। সেই আঁতধৰি তেখেতে প্ৰকৃতিৰ লগত এক যোগসুত্ৰ স্থাপন কৰে। ১৯৭৯ চনৰ বানপানীয়ে উটুৱাই অনা সাপ মৃত্যুমুখত পৰা দেখি যাদৱ পায়েঙে দেউৰীসমাজত এই প্ৰাণীবোৰৰ আশ্ৰয় হিচাপে উপায় বিচৰাত তেওঁলোকে তেখেতক বাঁহগছ ৰুবলৈ পৰামৰ্শ দিলে। আৰু তেওঁলোকে ২৫ জোপা বাঁহগছৰ লগতে ৫০ টা বাঁহৰ মূঢ়া যাদৱ পায়েঙক ৰুবলৈ দিলে। সেই আৰম্ভণিৰে বৰ্তমান মোলাই কাঠনিবাৰীত প্ৰায় ৫০০ হেক্টৰ অঞ্চলত বাঁহগছই আছে। বাঁহগছৰ লগতে পায়েঙ ডাঙৰীয়াই অৰ্জুন, গমাৰি, চেগুন, ডিমৰু, কৃষ্ণচূড়া, বগৰী আদি বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰাৰ ফলত মোলাই কাঠনিবাৰী বৰ্তমান গভীৰ অৰণ্যলৈ ৰূপান্তৰিত হৈছে। অৰণ্যখনত লুপ্তপ্ৰায় শগুণ আৰু বনগাহৰিৰ লগতে বাঘ, হাতী হৰিণ, গঁড়, বান্দৰ, শহাপহু আৰু বিভিন্ন প্ৰজাতিৰ চৰাই চিৰিকতি আছে। বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী চৰাইৰ আশ্ৰয়স্থল মোলাই কাঠনিবাৰী। প্ৰতিবছৰে একোটা বৃহৎ হাতীৰ জাক এই অৰণ্যলৈ আহে। ২০০৮ চনত এনেদৰে অহা বনৰীয়া হাতীৰ জাকে অৰণ্যখনত যথেষ্ট উপদ্ৰৱ কৰিছিল যদিও তেওঁ সেই বিলাকক সুৰক্ষাহে প্ৰদান কৰিছিল। সেইদৰে অৰণ্যত ঘূৰি ফুৰোতে তেওঁক বাঘে খেদি আহিলেও তেওঁ প্ৰতি আক্ৰমণ নকৰি দৌৰি গৈ গছত উঠে। পোহনীয়া গৰু-ম'হ বাঘে খাই মাৰিছে যদিও তেওঁৰ আক্ষেপ নাই। বিভিন্ন প্ৰজাতিৰ জীৱজন্তু পক্ষীৰে পৰিবেষ্টিত অৰণ্যখনত নাই যান্ত্ৰিকতা আৰু প্ৰদূষিত পৰিবেশ, আছে মাথোঁ জীৱজন্তু, উদ্ভিদৰ এক শৃঙ্খল জীৱনযাত্ৰা। কিন্তু এই সকলোবোৰৰ মূলতেই হ'ল প্ৰকৃতি তথা পৰিৱেশ। সমগ্ৰ বিশ্বখনক প্ৰকৃতি তথা গছেহে ৰক্ষা কৰিব। সেয়েহে যাদৱ পায়েঙে কৈছে — 'পৃথিৱীক বচাবলৈ হলে গছৰ অবিহনে নোৱাৰে। সেইহেতু গছ থাকিলে প্ৰাণীজগত জীয়াই থাকিব। সেয়ে পৃথিৱীক বচোৱা প্ৰত্যেকজনৰে কৰ্তব্য।' চাৰিওফালে সুন্দৰ প্ৰাকৃতিক পৰিবেশত বাস কৰা যাদৱ পায়েঙে মোলাই কাঠনিবাৰী অৰণ্যখনক বিশ্বৰ বৃহত্তম ঘৰ আখ্যা দিয়ে। এই মহান প্ৰকৃতিপ্ৰেমিক জনক ২০১২ চনৰ ১২ এপ্ৰিলত 'জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়'ৰ পৰিবেশ বিজ্ঞান বিভাগে 'ধৰিত্ৰী দিৱস' উপলক্ষে 'অৰণ্য মানৱ' আখ্যাৰে সন্মানিত কৰে। ২০১৫ চনৰ ২৬ জানুৱাৰীত পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰি অহা আপোচবিহীন অৰিহণাৰ বাবে ভাৰত চৰকাৰে যাদৱ পায়েঙ ডাঙৰীয়াক পদ্মশ্ৰী বঁটাৰে বিভূষিত কৰে।

এইজন প্ৰকৃতি প্ৰেমিকৰ প্ৰচেষ্টাক আমি আদৰণি জনাইছো। তেখেতৰ আদৰ্শক নমস্কাৰ জনাই আমি প্ৰত্যেকেই প্ৰকৃতিক বচোৱাৰ চেষ্টা কৰিব লাগিব, মানুহৰ বাবেই গছ-গছনি, অৰণ্য ধ্বংস হোৱাৰ ফলত বায়ুমণ্ডল প্ৰদূষিত হৈছে। পৰিৱেশ সজাগতাৰ বাবে বিশ্বৰ লগতে ভাৰতবৰ্ষতো বিভিন্ন আইন প্ৰণয়ণ কৰিছে। কিন্তু আইন গৃহীত হোৱাৰ আগতেই যাদৱ পায়েঙে বন্যপ্ৰাণীকে ধৰি প্ৰাকৃতিক পৰিবেশক সুৰক্ষা প্ৰদান কৰি অকলেই সৃষ্টি কৰিছে 'মোলাই কাঠনিবাৰী' অৰণ্য'।

সামৰণিত, নৈ পৰীয়া বালিচাপৰিত গছপুলি ৰোপণৰে পৰিবেশ সুৰক্ষাৰ হ'কে অপৰিসীম অৰিহণা যোগোৱা 'অৰণ্য মানৱ' পদ্মশ্ৰী যাদৱ পায়েঙ ডাঙৰীয়া সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ। ◆◆◆

# ঐতিহ্যমণ্ডিত উত্তৰ গুৱাহাটীৰ শ্ৰীশ্ৰী আউনীআটী সত্ৰ

গৰিস্মিতা দেৱী
পঞ্চম ষান্মাষিক

সত্ৰ হৈছে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আৰু শ্ৰীশ্ৰী মাধৱদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে স্থাপন কৰা এক অনুষ্ঠান। এই মহান সত্ৰসমূহ আহোম ৰজাৰ তত্বাৱধানত ১৭ শতিকাৰ মাজভাগত স্থাপন কৰা হৈছিল। সত্ৰসমূহ হৈছে এনেকুৱা ধৰ্মানুষ্ঠান যিবোৰৰ জৰিয়তে ঈশ্বৰৰ অস্তিত্ব উপলব্ধি কৰাৰ বাবে উৎসাহিত কৰে। সত্ৰসমূহত বৈষ্ণৱীসকলে ঈশ্বৰ সেৱাত ব্ৰতী আৰু ভক্তসকলক ঈশ্বৰ সেৱাত ব্ৰতী হ'বলৈ উপদেশ দিয়া। অসমৰ কলা আৰু সাংস্কৃতিক জগতৰ কেন্দ্ৰস্থল সত্ৰসমূহৰ জৰিয়তে ভক্ত সকলক বিভিন্ন ধৰ্মমূলক কাৰ্য্য কলাপত জড়িত কৰা হয়। আৰু সেইবোৰৰ জৰিয়তে বৈষ্ণৱ ধৰ্ম তথা ঈশ্বৰৰ প্ৰতি ভক্তি আৰু বিশ্বাস স্থাপন কৰিবলৈ আৰু মৃত্যুৰ পিছত চিৰশান্তি পোৱা বাবে প্ৰয়াস কৰা হয়।

**ইতিহাস** ঃ- আউনীআটী সত্ৰ ১৬৬৩ চনত পোন প্ৰথমে মাজুলীত আহোম ৰজা চুটামলাই স্থাপন কৰে। পৰৱৰ্ত্তী কালত তেখেতৰ বৈষ্ণৱ ধৰ্মত শৰণ লৈ তেওঁ নাম লয় জয়ধ্বজ সিংহ। তেখেতকে আউনীয়াটী সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ নিৰঞ্জন দেৱে বৈষ্ণৱ ধৰ্মত শৰণ দি নাম প্ৰদান কৰে। আহোম ৰজা জয়ধ্বজ সিংহই ৮১,৬৫০ বিঘা মাটি ব্ৰহ্মত্ৰ আৰু দেৱত্ৰ এই দুই ভাগত ভগাই সত্ৰ সমূহ পৰিচালনা কৰিবলৈ ভূমি দান কৰে। শ্ৰীশ্ৰী আউনীআটী সত্ৰ অসমৰ সকলো সত্ৰৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ সত্ৰ হিচাপে পৰিগণিত। এই কথা আহোম ৰজাজনে পৰ্য্যবেক্ষণ কৰি কৈছিল। অউনীআটী দুটা শব্দত সংযুক্ত হৈ আছে ইয়াৰে আউনী মানে হ'ল - আউনীপান। (এবিধ তামোল গছত বগুৱা লতা) আৰু আটী মানে হ'ল - বহল, উন্নত, উচ্চ । এনেকৈ আউনীআটী সত্ৰ নামাকৰণ হয়।

আউনীআটী সত্ৰ সমূহত একেলেথাৰি পুৰাৰ পৰা গধূলিলৈ সদায় প্ৰাৰ্থনা, ভগবান বিষ্ণুৰ গুণানুকীৰ্ত্তণ, নাম প্ৰসঙ্গ আদি চলি থাকে। যোৱা ৩৬০ বছৰ ধৰি বৰ্তমান সময়লৈকে এই ৰীতি-নীতিৰ দ্বাৰা নাম-প্ৰসঙ্গ চলি আহিছে। বৈষ্ণৱসকলে নামঘৰত সদায় ভগৱান গোবিন্দ পূজা অৰ্চনা বা নাম কীৰ্তন কৰো। কেতিয়াবা একাদশী পূৰ্ণিমা, সংক্ৰান্তি আৰু উৎসৱ পাৰ্বনত চৈধ্য প্ৰসঙ্গৰ লগত চাৰি প্ৰসঙ্গ বৃদ্ধি পায়।

জগন্নাথ ক্ষেত্ৰ (পুৰী, উৰিষ্যা) আৰ্হি বা জগন্নাথ মন্দিৰৰ দৰে সত্ৰৰ মণিকূট গোবিন্দৰ আসন স্থাপন কৰাৰ লগতে বৈদিক ধৰ্মৰ পদ্ধতিৰে সত্ৰৰ মণিকূট স্থাপন কৰা হয়। আউনীআটী সত্ৰ প্ৰধান মাজুলীত অৱস্থিত। এই সত্ৰৰ ধৰ্ম আৰু ৰীতি-নীতিৰে আউনীআটী সত্ৰৰ পৰা সৰ্বমুঠ ১২ (বাৰ) খন শাখা সত্ৰৰ উৎপত্তি হয়। ইয়াৰ ভিতৰত প্ৰধান শাখা সত্ৰখন হ'ল উত্তৰ গুৱাহাটী আউনীআটী সত্ৰ।

**উত্তৰ গুৱাহাটীৰ আউনীআটী সত্ৰ স্থাপন** ঃ- উত্তৰ গুৱাহাটীৰ আউনীআটী সত্ৰ মাজুলীৰ মূল আউনীআটী সত্ৰৰ এটি শাখা। কামৰূপ জিলাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে, উত্তৰ গুৱাহাটীৰ শিলসাঁকো অঞ্চলত আৰু অশ্বক্লান্ত দেৱালয়ৰ নিচেই ওচৰত এই সত্ৰ আছে। গড়মূৰ, দিহিং আৰু আউনীআটী সত্ৰ। ১৯১৫ খ্ৰীষ্টাব্দত পোন প্ৰথমে সত্ৰাধিকাৰ শ্ৰীশ্ৰী কমলদেৱ গোস্বামীয়ে অশ্বক্লান্ত দেৱালয়ৰ পৰা ৬০ বিঘা মাটি লিজত

লৈ সত্ৰখন স্থাপন কৰে। সম্ভৱতঃ পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ জীৱিতকালত বা মৰাণ বিদ্ৰোহ আৰু মানৰ আক্ৰমনৰ সময়তে পোন প্ৰথমে আমিনগাঁৱত (গুৱাহাটী ভৰলুমুখত) এই শাখা সত্ৰখন স্থাপন কৰিছিল। পৰবৰ্তী কালত চৰ্তুদশ সত্ৰধিকাৰ ভাগৱত ভাস্কৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱ গোস্বামীয়ে ১৯৫৯ চনত বৰ্তমান সত্ৰখনৰ পুনৰ নিৰ্মাণ কৰে।

**উত্তৰ গুৱাহাটীৰ আউনীআটী সত্ৰৰ ধৰ্মীয় ৰীতি-নীতি** :- সত্ৰৰ বৈষ্ণৱ সকলৰ মাজত প্ৰচলিত ধৰ্মীয় ৰীতি-নীতি, আচাৰ ব্যৱহাৰৰ মৌলিক উদ্দেশ্য আছিল নিকা কৰা। এই আচাৰ-নীতি সমূহৰ দ্বাৰা বৈষ্ণৱসকল নিজৰ ব্যক্তিত্ব আৰু সৎ চৰিত্ৰবানৰ অধিকাৰী হৈ আধ্যাত্মিকতা জ্ঞান প্ৰচাৰ কৰে।

আচাৰ আৰু ৰীতি-নীতিয়েই ধৰ্ম নহয়, আচাৰ-নীতিয়ে মানুহক সৎ কৰিব পাৰে। আউনীআটী সত্ৰৰ ৰীতি-নীতি সমূহ হ'ল—

(ক) আউনীআটী সত্ৰৰ বৈষ্ণৱসকলে সাত্বিক ৰীতি-নীতিৰ মাজেৰে জীৱন নিৰ্বাহ কৰে। সাত্বিক ৰীতি-নীতি মানে গা-ধুই উঠি ধৌত বস্ত্ৰ অৰ্থাৎ ধুতি-কাপোৰ পিন্ধিব লাগে। গা-ধুৱাৰ পিছত ধৌত বস্ত্ৰ সমূহ বেলেগে ৰাখি পৰিধান কৰিব লাগে। তিতাঁ কাপোৰ বা আগত পৰিধান কৰা বস্তুৰ সৈতে একেলগ কৰি থোৱা নহয়। যদি সজ বস্ত্ৰৰ সৈতে তিতাঁ বস্ত্ৰ সংলগ্ন হ'লে চুৱা যায়। ৰাতিপুৱা শুই উঠাৰ পিছত দুৱাৰ শুচি কৰি গাঁ-ধুই পৰিস্কাৰ হ'ব লাগে।

(খ) দ্বিতীয়তে স্নান কৰি উঠি ঈশ্বৰৰ গুণানু কীৰ্ত্তন কৰে। স্নান কৰি থকাৰ পৰা প্ৰথমে গুৰুভটিমা গাব লাগে। তাৰ পিছত পদ মাতিব লাগে। স্নান কৰি উঠি বৈষ্ণৱ সকলে নামঘৰত সেৱা জনাই নাম কীৰ্ত্তন কৰে।

(গ) আহাৰ গ্ৰহণ কৰাৰ সময়ত কিছুমান ৰীতি-নীতি আছে— আহাৰ খোৱাৰ সময়ত ভকতজনে কেৱল ধুতি পিন্ধিব লাগিব। আৰু নজৰ আহাৰ নিজে পাক্ কৰি খাব লাগে। আহাৰ খোৱাৰ আগত ঈশ্বৰৰ নামত পাঁচ গৰাহ উছৰ্গা কৰিহে খোৱা নিয়ম আছে। আহাৰ খোৱা হোৱাৰ পিছত চোলা পৰিধান কৰিব পাৰে।

(ঘ) আহাৰ খোৱা হোৱাৰ পিছত বাচন-বৰ্তন ধুই যি ঠাইত খাইছিল সেই ঠাই পৰিষ্কাৰ কৰি গোবৰ পানী দি মচি শুচি কৰা হয়।

(ঙ) আউনীআটী সত্ৰৰ বৈষ্ণৱ ভকত সকলে নিৰামিষ আহাৰ গ্ৰহণ কৰে। আহাৰ গ্ৰহণ তেওঁলোকে এদিনত দুবাৰ কৰে।



(চ) সত্ৰ ভকত সকলে আঁউসী, পূণিমা, সংক্ৰান্তি আৰু গুৰুসকলৰ তিথিত হাল খেতি কৰে। সেইদিনা লঘোণে থাকে।

(ছ) আউনীআটী সত্ৰ তথা সমূহ সত্ৰৰ আন এক আচাৰ হ'ল বৈষ্ণৱ এজনে সাতবিধ বস্তু ব্যৱহাৰ কৰা নিষিদ্ধ। এই সাতবিধ বস্তু হৈছে কানি, মদ, ভাং, পিঁয়াজ, ধঁপাত, ধতুৰা আৰু নহৰু এইবোৰ গ্ৰহণ কৰিলে বিপথে পৰিচালিত হয়। বেয়া বস্তু, বেয়া ব্যৱহাৰ, আদি কৰিলে শাস্তি ভুগিব লাগে আৰু প্ৰায়শ্চিত্ত হ'ব লাগে।

(জ) আউনীআটী সত্ৰৰ উল্লেখযোগ্য ৰীতি-নীতি হ'ল বৈষ্ণৱ এগৰাকীয়ে প্ৰথম পৰ্য্যায়ত শৰণ লোৱাটোৱেই একান্ত প্ৰয়োজনীয়। দ্বিতীয় পৰ্য্যায়ত ভজন। বৈষ্ণৱ সকলে শৰণ লোৱাৰ পিছৰে পৰা কিছুমান ৰীতি-নীতি পালন কৰিবলগীয়া হয়।

(ঝ) আউনীআটী সত্ৰ মূলত উদাসীন সত্ৰ হোৱা হেতুকে বৈষ্ণৱ সকলে বিবাহ কৰিব নোৱাৰে। সংসাৰৰ মোহ মায়াৰ পৰা আতৰত থাকিব লাগে।

(ঞ) সত্ৰৰ বৈষ্ণৱ সকলে কেৱল ধুতি, গামোচা, চেলেং পিৰণ আদিহে পৰিধান কৰিব পাৰে। বৈষ্ণৱজনে এই ৰীতি-নীতিৰ মাজেৰে তেওঁৰ সত্ৰ, গুৰুৰ, সমাজৰ বান্ধোন মানি নিজৰ দৈহিক আধ্যাত্মিক আৰু সৰ্বাঙ্গীন উৎকৰ্ষ সাধনৰ চেষ্টা কৰে।

**আউনীআটী সত্ৰৰ ধৰ্মীয় উৎসৱ পাৰ্বন** :- সত্ৰসমূহত বিষ্ণুক কেন্দ্ৰ কৰি তেওঁৰ নাম প্ৰসঙ্গ, গুণানুকীৰ্ত্তণ, আদি বৰ্ণনা কৰি বিষ্ণুৰ মাহাত্ম্য প্ৰকাশৰ বাবে নানা উৎসৱ-পাৰ্বণ অনুষ্ঠিত কৰা হয়। বৈষ্ণৱ সকলৰ একমাত্ৰ উপাস্য দেৱতা হ'ল ভগৱান বিষ্ণু।

সেইদৰে উত্তৰ গুৱাহাটী আউনীআটী সত্ৰতো বিভিন্ন উৎসৱ-পাৰ্বণ অনুষ্ঠিত কৰা হয়। আউনীআটী সত্ৰখনত দৈনন্দিন



চৈধ্য প্ৰসঙ্গৰ হয়। তাৰোপৰি আঁউসী, একাদশী, পূৰ্ণিমা, সংক্ৰান্তিত এই কেইটাৰ প্ৰসঙ্গৰ সৈতে চাৰি প্ৰসঙ্গ বৃদ্ধি হয়। এই চৈধ্য প্ৰসঙ্গ সমূহ হ'ল —

(১) বৰাগীৰ নাম (এই নামত জাগৰণ, বৃন্দাবন যাত্ৰা আৰু বৃন্দাবনলীলাৰ বৰ্ণনা)

(২) বুঢ়া নাম (এই নাম গম্ভীৰ আৰু সমাহিত চিত্তে গোৱা)

(৩) বৰ-নাম (এই নামক মধ্যাহ্ন প্ৰসঙ্গ বুলিও কয়)

(৪) ভাগৱত পাঠ (বাগীশে মূল ভাগৱত পাঠ আৰু ব্যাখ্যা কৰে)

(৫) পদ-পাঠ (পদ ভাগৱত আৰু পুৰাণৰ আৰু চৰিত পুথিপদ পায়)

(৬) গায়ন-বায়ন (সত্ৰত ৭ যোৰা গায়ন বায়ন ভিতৰত এযোৰা পায়)

(৭) নাম প্ৰসঙ্গ (এই নাম তালেৰে গোৱা হয়)

(৮) পদ-পাঠ (বিয়লি)

(৯) মূল ভাগৱত পাঠ আৰু ব্যাখ্যা

(১০) বৰগী নাম (বৃন্দাবন লীলাৰ নামত চাপৰি নবজায়)

(১১) বুঢ়া নাম

(১২) পুনঃ বৰনাম (তালেৰে)

(১৩) পদ-পাঠ

(১৪) ওজা-গোৱা

আউনীআটী সত্ৰৰ অনুষ্ঠিত হোৱা উৎসৱ পাৰ্বনৰ ভিতৰত পালনাম উল্লেখযোগ্য।

**পালনাম** ঃ- আউনীআটী সত্ৰৰ উৎসৱৰ ভিতৰত পালমান অতি ডাঙৰকৈ পতা হয়। পালনাম আউনীআটী সত্ৰৰ বছৰেকীয়া উৎসৱ। মূল মাজুলীৰ আউনীআটী সত্ৰত কাতি মাহৰ ২৫ তাৰিখৰ পৰা ২৯ তাৰিখলৈ পাঁচদিনীয়া কাৰ্যসূচীৰে এই উৎসৱ পালন কৰা হয়। কিন্তু মূল আউনীআটী সত্ৰৰ শাখা উত্তৰ-গুৱাহাটীৰ আউনীআটী সত্ৰত কাতি মাহৰ ২৭ তাৰিখৰ পৰা ২৯ তাৰিখলৈ তিনিদিনীয়া কাৰ্যসূচীৰে পালনাম উদ্‌যাপিত কৰা হয়। উৎসৱৰ কেইদিন সত্ৰলৈ হেজাৰ হেজাৰ ভক্তৰ সমাগম ঘটে। সত্ৰখন সেই কেইদিন দিনত বাহিৰৰ কাৰাপাটৰ পৰা ভিতৰৰ কাৰাপাটলৈ পালনাম কেইদিনত মেলা হয়।

**জন্মাষ্টমী** ঃ- আউনীআটী সত্ৰত জন্মাষ্টমীৰ দিনাখন কৃষ্ণৰ সমষ্ট জীৱন লীলা বৰ্ণনা কৰে। জন্মাষ্টমীত দিনত সকলো ভকত বৈষ্ণৱ লঘোনে থাকে আগবেলা নিত্যপ্ৰসঙ্গৰ কামখিনি হৈ যোৱাৰ পাছত হিৰানাম, ওজা আদিৰে দিনৰ কাম সমাধ্য হৈ যোৱাৰ পাছত সন্ধ্যা মণিকূটত ভগবান শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ পুজা কৰা হয়। দুপৰীয়া নামকীৰ্তনত প্ৰসাদ আদি নাথাকে। তাৰ সলনি তুলসী-চন্দনহে দিয়ে। ৰাতিপুজাৰ আন্তত বুট, মগু, নাৰিকল মিশ্ৰিত প্ৰসাদ দিয়া হয়।

**তিথিপালন ঃ গুৰুকীৰ্ত্তন বা শঙ্কৰদেৱৰ তিথি** ঃ- উত্তৰ গুৱাহাটীৰ আউনীআটী সত্ৰত ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিত গুৰুকীৰ্ত্তন বা শঙ্কৰদেৱৰ তিথি পালন কৰা হয়। গুৰুজনাৰ আৰ্বিভাব আৰু তিৰোভাৱ দুয়োটা তিথিয়ে পালন কৰা হয়। ভাদ মাহৰ নিত্য প্ৰসঙ্গৰ নিয়ম সুকীয়া, গোটেই ভাদ মাহতে সকলো সত্ৰত প্ৰসাদ বা যোগান দিয়া হয়। পদশিলা আদি পবিত্ৰ স্মৃতিচিহ্ন বক্ষিত হোৱা ঠাইত দিয়া প্ৰসাদকে যোগান বুলি কোৱা হয়।

শঙ্কৰদেৱৰ তিথি উৎসৱৰ দিনা আগদিনা ৰাতি গোৱা যোৱা প্ৰসঙ্গত 'গোন্ধ' গায় অৰ্থাৎ নিৰ্দ্দিষ্ট গীতৰ অন্তত তাল খোলেৰে এটি পৰা বিভিন্ন প্ৰসঙ্গ চলি থকাৰ বাবে সত্ৰই প্ৰতি নিৰ্ধাৰিত গীত মাত আৰু কীৰ্ত্তন ঘোষাৰ ব্যৱস্থা কৰি দিছে। এই দিনটোৰ কাৰ্য তালিকাৰ তিনিটা ভাগত ভাগ কৰি দিছে।

(১) পুৱাৰ ভাগ

(২) ভেৰপৰীয়া ভাগ আৰু

(৩) সন্ধিয়া

পুৱাৰ ভাগত দোক-মোকালিৰ তাল কোবোৱা প্ৰসঙ্গ, মজিৰা নাম, যোৰা বা খোল আদি প্ৰসঙ্গ চলি থাকে। ভেৰপৰীয়া ভাগত যোৰা প্ৰসঙ্গ, ভেৰপৰীয়া নাম প্ৰসঙ্গ আদি চলি থাকে। সেইদৰে তৃতীয় ভাগটোত নানান নাম প্ৰসঙ্গ চলি থাকে।

বৈষ্ণৱ সকলৰ কাৰণে এই গুৰু তিথিয়েই সকলোতকৈ ডাঙৰ উৎসৱ। গুৰু তিথি দিনা গুৰুৰ কীৰ্ত্তন, ঘোষা কীৰ্ত্তন আৰু পদ সমূহ ব্যাখ্যা কৰে।

**মাধৱদেৱৰ তিথি** ঃ- ভাদ মাহৰ পঞ্চমী কৃষ্ণাত মহাপুৰুষ মাধৱদেৱৰ প্ৰয়ান তিথি পালন কৰে। গুৰু কীৰ্ত্তনত পালন কৰা দৰেই মাধৱদেৱৰ তিথি আগৰাতি যোৰা বা খোল প্ৰসঙ্গ লগত এটি ঘোষাৰে গোন্ধ গোৱা হয়। তিথিৰ দিনা পুজা আগদিনাৰ দৰেই তাল কোবোৱা আৰু মঞ্জিৰা নামৰ বাবে নিৰ্দ্দিষ্ট ঘোষা বা কীৰ্ত্তন আছে।

মাধৱদেৱৰ তিথি পুৱাৰ পৰা আবেলিলৈকে বিভিন্ন নাম-প্ৰসঙ্গ এটা নহয় এটা অনবৰতে চলি থাকে। ভেৰপৰীয়া প্ৰসঙ্গত 'হৰি ৰাম' শ্ৰীৰাম, জয় জয়, ৰাম ৰাম আদি আঠোটা ঘোষা একাদিক্ৰমে গায়। দিনৰ বাকী অনুষ্ঠান কেইটি আনদিনৰ দৰে সমাপ্ত কৰি বিয়লিতে দিন-ভাওনা হিচাপে 'অৰ্জুনভঞ্জন ভাওনা অভিনয় কৰা হয়। যিহেতু আউনীআটী সত্ৰত ভাওনা উদ্‌যাপন নকৰে তাৰবাবে তাৰ সলনি এই সত্ৰখনে অন্য ৰীতি-নীতি অবলম্বন কৰে।

মাধৱদেৱ তিথিত তেওঁৰ সাহিত্য কৃত্য 'নাম-ঘোষা' খন আদিৰ পৰা অন্তলৈ কীৰ্ত্তন কৰি ব্যাখ্যা কৰি নাম প্ৰসঙ্গ কৰে।

**প্ৰাৰ্থনা**

তুমি চিত্ত বৃত্তি মোৰ  প্ৰৱৰ্ত্তক নাৰায়ণ
তুমি নাথ মঞি নাথৱন্ত
চৰণ-ছত্ৰৰ ছায়া  দিয়াদূৰ কৰা মায়া
কৰা দয়া মোক ভগৱন্ত।। ১২৯
(মাধৱদেৱৰ নামঘোষা)

**দামোদৰদেৱৰ তিথি** ঃ- শ্ৰীশ্ৰী দামোদৰ দেৱৰ তিথি শুক্লা পক্ষৰ প্ৰতিপদ দিনা ব'হাগ মাহৰ দিনা উত্তৰ গুৱাহাটী আউনীআটী সত্ৰত তেওঁৰ আৰ্বিভাৱ তিৰোভাৱৰ দিনা তিথি পালন কৰে। ব'হাগ মাহৰ প্ৰথম অমাবশ্যা দিনাখন তেওঁৰ তিথি পালন কৰে।

দামোদৰদেৱে তিথিদিনাখনো নামপ্ৰসঙ্গ কৰে। মহাপুৰুষ দুজনাৰ দৰে দামোদৰদেৱৰ তিথিও নানা নাম কীৰ্ত্তন কৰি পালন কৰা হয়। আউনীআটী সত্ৰত শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱৰ লগতে এই সত্ৰৰ উপৰি তিনিপুৰুষৰ তিথি বা আগৰ সত্ৰাধিকাৰৰ তিথি পালন কৰা হয়। তেওঁলোকৰ তিথিৰ দিনাখন বিভিন্ন কাৰ্য্যসূচীৰে সত্ৰখনত পুৱাৰ পৰা আবেলিলৈকে মহাপ্ৰভু গোবিন্দৰ নাম প্ৰসঙ্গ আৰু গুৰু সকলৰ জীৱন চৰিত পাঠ কৰে।

বৰ্ত্তমান পালিত হৈ থকা উপৰি তিনি পুৰুষৰ নাম হ'ল—
শ্ৰীশ্ৰী লীলাকান্ত দেৱ গোস্বামী
শ্ৰীশ্ৰী হেমচন্দ্ৰ দেৱ গোস্বামী
শ্ৰীশ্ৰী চন্দ্ৰ দেৱ গোস্বামী

তথ্যদাতা মতে—

**মাঘী পূৰ্ণিমাত** ঃ- উত্তৰ গুৱাহাটীৰ আউনীআটী সত্ৰত মাঘী পূৰ্ণিমা ৰাইজৰ দ্বাৰা বা ৰাইজৰ সহায় সহযোগিতাত পালন কৰা হয়। সেইদিনাখন সত্ৰলৈ অগণন ভক্তৰ সমাগম হয় আৰু সত্ৰৰ ভিতৰত কাৰাপাটৰ পৰা বাহিৰৰ কাৰাপাটলৈ মেলা বহে। বিভিন্ন দোকানত-পোহাৰৰে ভৰি পৰে। আৰু সিদিনা ভক্তপ্ৰাণ ৰাইজক খিচিৰি, ভোগ, প্ৰসাদ আদি প্ৰদান কৰে। মাঘী পূৰ্ণিমাত সত্ৰত হোম যজ্ঞ হয়। আউনীআটী সত্ৰত অসমৰ বিহু তিনিটাও আৰু অসমীয়া নৱবৰ্ষ পালন কৰা হয়। মূল আউনীআটী সত্ৰত ৰাস উৎসৱ, দৌল উৎসৱ, তিথি, জন্মাষ্টমী, বহাগ বিহু, কতি বিহু (আকাশ বন্তিৰ) মাঘ বিহু, মাঘী পূৰ্ণিমা লগতে বিষ্ণু কেন্দ্ৰিক সমূহ উৎসৱ পালন কৰা হয়।

ওপৰোক্ত আলোচনাৰ জৰিয়তে উত্তৰ গুৱাহাটীৰ আউনীআটীৰ সত্ৰৰ বিষয়ে চমুকৈ আলোকপাত কৰাৰ প্ৰয়াস কৰা হ'ল। ◆◆◆



# অমোঘ আছৰ চোলা

**ভাৰতী ভট্টাচাৰ্য্য**
**অৱসৰ প্ৰাপ্ত অধ্যাপিকা, দৰ্শন বিভাগ**

অনাতন প্ৰসৱ বেদনা ওৰ পেলাই
ভূমিস্থ হ'লো মই .......এটি কন্যা সন্তান,
আয়ে হেনো সী থৈছিল
ফুটুকী ফুলবচা চোলা এটা
মনতে গুনিছিল.....জানো—
ল'ৰাই হয় নে ছোৱালীয়েই হয়!
পিছে মানুহৰ চোলাটো
পিন্ধিবলৈ নেপালো কাহানিও
প্ৰসূতি কোঠাৰ দুৱাৰ মুখতে
উৎকৰ্ণ হৈ থকাবোৰে
ততাতৈয়াকৈ গাত সুমুৱালেহি
এঙেৰুৱা বৰণৰ ..... সৰ্বঢাক
এটা ভয়ৰ আলখাল্লা....
শঠতা আৰু বঞ্চনাৰ সিয়ণীবোৰ,
অগধা হলৌচোলাটোৰ
বুকুতে ৰঙবিৰঙৰ সুতাৰে বচা
কিছুমান নক্সাদাৰ কাহিনী আছিল
দ্ৰৌপদী, সীতা আৰু অহল্যাৰ।
চোলাটো মোৰ লগে লগে
ডাঙৰ হৈ আহিল,
সি ঢাকি পেলালে মোৰ
অতীত বৰ্তমান আৰু ভৱিষ্যত
কোমল বিছনাৰ দৰে
মোৰ বৈৰী শৰীৰ,
সন্ত্ৰাস, সংকোচ, লাজ, ভয়...
পায়-নেপায়ৰ বিড়ম্বনাত
আবদ্ধ হ'ল
পূৰ্ণাঙ্গ মানুহ হৈ জীয়াই থকাৰ
সমস্ত সম্ভাৱনা, মোৰ আকুতি

(২)

ঘৰৰ দুৱাৰদলি পাৰ হোৱাৰ ভয়
জপনা খুলি ঘৰ সোমোৱাৰ ভয়
ক'ৰ পৰা বা উফৰি আহে বাক্যবাণ,
তুচ্ছ তাচ্ছিল্য...সন্দেহৰ চাৱনি
নিস্ব ঃ নিসঙ্গ দিন আৰু
প্ৰেমহীন মাতাল ৰাতিৰ ভয়,
পোহৰৰ ভয়,
চাকিৰ তলৰ ষড়যন্ত্ৰকাৰী এন্ধাৰৰ ভয়
সেন্দূৰ মচ খোৱাৰ ভয়
চিতাৰ জুইত জীৱন্তে পুৰি মৰাৰ ভয়
জীয়া শৰীৰত মৃতকৰ বগা কাপোৰ
ওলোমাই ফুৰাৰ ভয়
ওপৰলৈ উঠাৰ ভয়
তললৈ নমাৰ ভয়,
কোনে ক'ব—
চাকৰিলৈ যাম নে
ঘৰতে থাকিম?

এইবোৰ কিয় আহে
অফিচৰ চকীত বহিবলৈ...!
ফাইল মেলিও কেঁচুৱাৰ চিন্তা
নহ'লেবা
ঘৰতে অৰিৰে কি জানে
কষ্টোপাৰ্জিত ধনৰ মোল
আৰামত খাই শুই দিন নিয়াই
দুই ঘাটৰ অৰিয়াঅৰিত
নিঃশেষ হয় নিষিদ্ধ জীৱন
এনেকৈয়ে।

(৩)

ভয়েই স্বৰ্গ
ভয়েই ধৰ্ম
বৈ থকাৰ ভয়
গৈ থকাৰ ভয়
আলি কেঁকুৰি বোৰত বৈ থাকে
বাৰেওটি মাহে ভদীয়া
কুকুৰৰ জাক

নক'বলৈ ভয়
বনকৰা আজিৰ দৰে আপোনঘাতী
হওঁ বুলি,
কবলৈ ভয়
তছলিমা নাচৰিন দৰে দেশান্তৰী হওঁবুলি,
সুন্দৰৰ পূজাৰী শিল্পীৰ তুলিকাত,
নঙঠা হোৱাৰ ভয়
তালিবান বোৰে সৰ্বাঙ্গ চাবহি বুলি ভয়

কাঠবাজী হও বুলি ভয়
পুত্ৰ-সন্তান ধাৰণ কৰিব নোৱাৰা ভয়
গৰ্ভৰ কণ্যাভ্ৰূণ সুবাটি বাহিৰ কৰা
নতুন প্ৰযুক্তিৰ ঔজাৰ বোৰলৈ ভয়
কণমানি বনালৈ দুনী হও বুলি
তাইৰ মাক হওঁ বুলি ভয়।
ক....কালেও মই ভাগ-নোলোৱা
ভয়াবহ যুদ্ধ আৰু
সাম্প্ৰদায়িক সংঘৰ্ষত
ধৰ্ষিতা হোৱাৰ ভয়,
কাহানিও নকৰা ৰূপৰ ফল ভোগাৰ ভয়

(৪)

অন্ধকাৰ ৰাতিৰ নক্ষত্ৰৰ দৰে
ভয়ৰ মাজত ও জ্বলি থাকে সাহ
প্ৰস্তৰ দেৱালৰ চচপা খুন্দাও
গজি উঠে
লহপহিয়া বট বৃক্ষৰ পুলি
এতিয়া আয়ে সী থোৱা
ফুটুকি চোলাটো
বিচাৰি লোৱাৰ সময়
আৰু বহুত চোলা সী লোৱাৰ
সময়,
আছৰ চোলা
আমোঘ আহৰ চোলা
মানুহ হৈ জীয়াই থকাৰ চোলা।

০০০*০০০



## বলিয়া বতাহ

হেমন্ত দাস
তৃতীয় ষাণ্মাষিক

যোগাযোগৰ যান্ত্ৰিকতাত প্ৰৱেশ কৰি
জগত উখল-মাখল কৰাৰ উন্মাদনা
শংকিত হও কেতিয়াবা
সেই সমদলৰ মাজত হেৰাই যায় বুলি
কাহানিও নোপোৱা হৃদয় খন....!
তিতা-মিঠা সোৱাদবোৰে দেখোন
জীৱন বৰ অনুপম কৰি তোলে
জিৰ-জিৰ নিজৰাৰ ধ্বনিত
কঠিন শিলেও কথা কয়
সময় বালিত খোজ পেলাই আগবাঢ়ি যায়
জীৱন গঢ়াৰ এজাক বালিয়া বতাহ।

০০০*০০০

# Achievement of 6th Sem (Major)



**Deepshikha Rajkumari**
(Dept. History
CGPA–6.5



**Kaberi Kour**
(Dept. Assamese
CGPA–6.5



**Rehena Khatun**
(Pol. Science)
CGPA – 7.4



**Bikash Rabi Das**
Gold Medalist, Tabla
Youth Festival, GU 2018




**Priya Boro**
Best Athlete
Beltola College

# English Section

# The importance of Godot in Beckett's play 'waiting for Godot.'

**Pankaj Kumar Kalita**
Asstt. Proff (HOD)
English Department

The dramatist Samuel Beckett depicted Godot as a mysterious figure and consequently the readers have a dilemma in their mind what Godot is or who is Godot. Again when the dramatist was asked regarding Godot, his reply was also equally perturbed. The dramatist replied, "After setting this reply, it is very much certain that the dramatist was most probably not aware of the meaning or significance of Godot. So in the play it is seen that Godot is interpreted in many ways which suited the readers or spectators in the context of the play as a whole. But from the critics point of view, they have offered many interpretations regarding the identity and role of Godot.



Some clue is found in Samuel Beckett's conscious or subconsious mind regarding his purpose in making the two tramps wait for Godot. It is seen that Godot is a weakened or diminutive form of the word Godot. The name 'Godot' may have something to do with the character called 'Godeau' in Balzac's play Mercadet. In Beckett's play or in Balzac's play the arrival of Godot is considered as eagerly awaited event and this will definately save the situation. From the above discussion, we may say that the .......Godot suggests the intervention of a mythical human being whole arrival is expected to change the situation.

According to the two tramps Vladimir and Estragon, Godot represents peace, rest from waiting, which ulitimately provides shelter and comfort. The coming of Godot means that they will no longer be tramps or homeless wanderers. Both the tramps are waiting for Godot, but it is not certain whether Godot will come or not.

It is a fact that Godot does not appear in the play but even though it seems that he is as real a character as only of those whom we actually come across. For the two tramps Godot is very much existing is he directs the course of the evening for them. Actually the two tramps think that Godot will give them a meaning to their universe, so they need Godot. Godot does not appear in the play but he dominates in the play. As the general image of Godot does not emerge in the play so, we are compelled to form a vague picture of him in our minds.



The two tramps Vladinir and Estragon identify Godot with proper and authority. The boy then brings a massage regarding Godot that Godot has a white beard and his life is occupied by his mastery over the sheep and the Godot. It is seen that Godot favours the boy who is a goat-herd but beats the boy's brother who is a shepherd. After this, the two tramps feel uneasy about Godot. Again, it is told when the time comes to meet him, they will approach him and if they are able to stop waiting for him then in returns he would punish them. From this discussion, it is almost certain that Godot has several common features with the image of God which is depicted in the Old and the New Testament. Morever, his irrational preference for one thus reminds us about Jehovah's treatment of two brothers Cain and Abel. Again in replying to a question, the boy - messanger tells the two tramps that Godot does nothing.

No doubt Godot fails to appear in the play, but it seems that Godot is as real as those whom we actually meets. In the play for the two tramps, Godot is very much exist because it is Godot who directs the course of the evening for them. The two tramps await for Godot to give a meaning to their universe so they depend on his arrival but Godot doesn't resolve their waiting because he does not come at all. But these two tramps identify his power. Godot's absence demonstrates his presence and in this way, he dominates the play even though he fails to appear.

Samuel Beckett's play 'waiting for Godot' centres around a theory of Philosophy who is known as existentialism which tells us that an invidividual is not born with a purpose to their

life, but the most important thing to notice is that they must find their own meaning of life through the way they choose to live their lives. Existentialism does not deal with the lack of meaning to our lives, but moves forward to be abundance of freedom which comes to an individual with the lack of inherent purpose. Morever, it should also be mentioned here that the existentialists coined a term called the 'Absurd' it exposes an individual's constant search for meaning within a universe but it is inherently meaningless.

Beckett's 'waiting for Godot' reflects existentialism but it confronts the term Absurd the chief aim of Vladimir and Estragon in the play is to meet Godot, yet they often forget what they are doing on the country road and for whom they are waiting for. They are often seen in busy while talking about some pointless things. Even the audience in the play felt that both of them are waiting for Godot on the country road for eternity. The absurdity of this play is exposed through their constant inability to find meaning in their own daily actions. Again their inability to recall any time or action outside of the play actually leads it to absurdity. This play represents the lack of purpose to our existance in this universe.

For Vladimir and Estragon, Godot is the driving force because it is for him they are waiting. They are eagerly waiting for the arrival or mere presence of Godot. But in the play, the dramatist Samuel Beckett denies that Godot is 'God'. Both Vladimir and Estragon believes that Godot alone will save them, so they are waiting for him. In the play 'Waiting for Godot' where the two characters Vladimir and Estragon wait for the arrival of Godot, but he never arrives. But the fact is that while waiting for 'Godot' they engage in a variety of discussion and even encounter with three other characters.

In summing up, I may say with conviction that the importance of Godot in Beckett's play 'Waiting for Godot' can be studied from various angles or various points of view. The word brings curiousity among the audience and the readers. Through the two key words 'waiting' and 'Godot' the dramatist Samuel Beckett questions the purpose of human existence on Earth and reflects meaningless events and acts played by various characters of the play.

References:
https://www.bartleby.com>essay>waiti
https://www.lasy.net>lasy
https://www.sparknotes.com>let>charac...
waiting for Godot ______ Ramji Lal
Cliff Notes on 'Waiting for Godot'
Coles Notes on 'Waiting for Godot' ◆◆◆

# A Trip to Hajo

**Chandrasmita Phukan**
B.A. 2nd Semester

On the day of 1st April 2018, we the students of Philosophy Department were taken to Hajo, which lies on the banks of the Brahmaputra River, 24 k.m. from the city of Guwahati in the Kamrup district of Assam, India. There were total 24 students along with 3 teachers. We went by bus at around 8:30 a.m. in the morning. Then we left for our destination. It was great fun during the journey of 2 hours to Hajo with my mates and teachers. We were provided with some morning snacks in the bus itself. We all were much excited on that day along with our teachers without much caring of the scorching heat. As, we were in our height of excitement, we danced although a soft music was played in the bus. We reached around 12:00 noon. First of all, we went to see a temple which is known as "Haigrib Madhava Mandir". It is the most famous temple of Hajo. It is situated on the "Monikut'' hill. The present day temple structure was constructed by king Raghudeva Narayan in 1583. There was a pond infront of the temple which is known as "Bishnu Puskar" or " Madhav Pukhuri." I was so delighted to see the temple and its surrounding beauty. The pond was quite big. We could see some fishes and tortoise moving inside the water.



The entire temple is devided into 3 parts. "The basement, the centre and the shikhara. There are total 95 stairs which we need to step up to reach the temple. We nearly spent one and half hours observing the temple. Our teacher explained and described us about the various parts of the temple.

After that, we were taken to a hotel which was nearby the temple for having

breakfast. The meal was delicious enough. We relaxed for a while and had a view of that area.

It was around 2:00 when we left for Poa Mecca meaning a quater of Mecca. It is a celebrated holy shrine of Muslims. It is situated just next to the Madhav temple. It is also known as Barmagam, situated atop the Garurachala Hills. Poa Mecca is a place of Pilgrimage for the Muslims. An Iraqi prince turned preachers, Ghiyasuddin Auliya, is said to have built the mosque here in the 12th century A.D. A lot of people belonging from Islamic community visit this place. The whole scenario of the mosque was very beautiful to look at. We enjoyed a lot as well as gathered a lot of knowledge.



After having the look over Poa Mecca we entered the restaurant named 'Bor-Luit' which is in Amingaon to have our lunch. After that we had reached the time to get back. 'Hajo' can be said as a historical place and holy place of Hindus and Muslims. It is really fun visiting there and also a trip of which we would never forget. I could know a lot about the places of Hajo and its historical importance. While returning back, we were tired already. I reached around 4 p.m. in the evening. I was dropped at my bus stop. It was really a memorable trip. It was a fun as well as beneficial trip for us. As we were able to excel our knowledge in different fields. ◆◆◆

- Live as if you were to die tomorrow,
  learn as if you were to live forever –

**Mahatma Gandhi**

- My religion is very simple,
  my religion is kindness –

**Dalai Lama**

- Intelligence is the ability to adopt to change –

**Stephen Howking**

# धूमिल की 'मेरी कविता'

दिव्यज्योति डेका
हिन्दी विभाग
वेलतला महाविद्यालय

सन साठ के बाद की कविताओं को साठोत्तरी कविता कही जाती हैं। साठोत्तरी किवताओं की मूल चेतना थी मोहभंग की अवस्था। सन 1947 ई में देश स्वाधीन होता है। देश की जनता एक मधुर कल्पना में चली जाती है, कि अब देश समृद्ध होगा, खुशी आयेगी, लोगों में सम अधिकार का अधिकार रहेगा। लेकिन राजनीतिक दाओ-पेंच का ऐसा तूफ़ान चला कि जनता की मधुर कल्पना चुर-चुर हो गई। भ्रष्ट नेताओं ने सत्ता पा कर देश की प्रकार लुटना शुरु किया कि देश में विकास की गति अवरुद्ध ही गई। घुमिल देश कि ऐसी परिस्थिति के खिलाफ एक आवाज है। उनकी कविताओं में देश के याथार्थ को व्यक्त करनेवाली ऊर्जा है।

भ्रष्ट राजनीति के प्रभाव से तथा कवियों का सत्ता के प्रति मोह के कारण कविता धीरे-धीरे अपनी शत्कि सोने लगी थी। धूमिल को लगने लगा था कि भाषा और भाव की दृष्टि से कविता निरन्तर जड़ होती जा रही है। इसके उपमान रुढ़ हो गये है। भाषा पेसेवर हो गई हैं और भावों में एक तरह का पिछलग्गूपन आ गई है जो जुलुस के पीछे चलने की प्रवृत्ति को बढ़वा देती है। इसके अतिरिक्त नक्सल्वदी आन्दीलन के साथ साहित्य में यह नारा पूरी शक्ति के साथ उठने लगा कि 'साहित्य की अवश्यकता क्यों है ?' नक्सलबाड़ियों के अनुसार इस सवाल में यह ध्वनी थी कि लेखन - कर्म निरर्थक है। वह सक्रिय कर्म से पलायन है, अत: यह कर्म व्यर्थ है। पर धूमिल अपनी कविताओं की सीमाओं से वाकिफ़ थे। वे कविता की रचना प्रक्रिया एवं उसके अर्थान्विति से परिचित थे। " कविता की रचना प्रक्रिया को वे प्रसव की प्रक्रिया की भाँति मानते थे।" 1 उनके अनुसार जबतक भाव में परिपक्कता नहीं आती है प्रसव पीड़ा से गुजरने लायक नहीं होता है तब तक सही रचना नहीं हो सकती है।

धूमिल की 'मेरी कविता' शीर्षक कविता भाव एवं भाषा की विचार भुमि की कविता है। कवि के अनुसार कविता में शब्द महत्व पूर्ण है। शब्द में ही अर्थ छीपा रहता है और अर्थ से याथार्थ की जानकारी मिलती है।

"यह है
मेरी कविता: मेरा घर
महरी ! इसे झाड़ू से
मत बुहार" 2

धूमिल कहते है, यह कविता सिर्फ कविता नहीं है। यह मेहा घर अर्थात मेरी अपनी चीज है, जिसे मेने बड़ी मेहनत और परिश्रम के साथ तैयार किया है। जैसे कोई व्यक्ति अपना घर परिवार बड़े परिश्रम से बनाते है, सवाँरते है उसी प्रकार मेरी कविता भी है। वे झाड़ू से बुहारने (साफ करने) योग्य नहीं है। हे, महारी (घरवाली) अर्थात हे, मेरे देश के लोगो मेरी कविता को बेकार मत समझें। इस में गुढ़ अर्थ छीपा हुआ है।

'आंचल से साफ कर' 3

अर्थात इसे बड़े प्यार से सम्भाल कर उठाओं तथा समझने की कोशिश करें। 'आंचल' शब्द हृदय से जुड़ा हुआ है, अत: अर्थ यह निकलता है कि कविता को दिमाग से नहीं हृदय से समझने की कोशिश करती चाहिए।

इसके बाद कवि धूमिल लिखते है ---

"क्या कहा
भाषा ? देख उधर कोने में
शब्दों के अर्थ भरे

कोने में खरी है" 4

साठोत्तरी कवियों की भाषा को लेकर तत्कालीन साहित्य समाज में काफी आलोचनाएँ हो रही थी। आलोचक का मनना भी था कि इस धारा के कवियों की भाषा अनगढ़, सपाट तथा आक्रोष की है। धूमिल की कविताओं को ऐसी आलोचनाओं का सामना ज्यादा करना पड़ रहा था। इसी आलोचना का स्पष्टीकरण 'मेरी कविता' है। वे कहते हैं "क्या कहा भाषा?" अर्थात भाषा को अगर बाहर से देखेंगे तो उसकी गहाराई का पता लगाया नहीं जा सकता "कोने में" अर्थात कविता रूपी घर के अन्दर जा कर देखो, भाषा की गहराई में झाँक कर देखो, तभी प्रत्येक शब्द से अर्थ रूपी सच्चाई तथा कविता का वास्तविक अर्थ /भाव सामने आयेगा। देश का यथार्थ रूप अनावृत हो जायेगा।

कवि धूमिल अपनी कविता को अनुभवों का फल मानते हैं। जीवन में अनुभव मनुष्य को सच्चाई का ज्ञान कराते हैं। कवि को स्वाधीनता के पूर्व और पश्र्चत की भारतीय जनमानस के बारेमें अच्छी तरह से ज्ञान था। स्वाधीनता के पश्र्चत देश का शासन तन्त्र 'जनतन्त्र होता है। लेकिन यह कहने वाली बात ही रह जाती है। असल में शासन तो नेताओं के खिलोना बन कर रह जाती है। धूमिल को यह अनुभव था। इसीलिए वे अपनी अनुभव की बात करते हुए, देश की जनमानस को कविता के गुढ़ अर्थ को परखने की बात करते हैं ---

"अरे भाई ! वहाँ नहीं वहाँ
अगले पर
उस गिलास के पास
जिसमें बैठे मेरे दाँत रखे हैं
आ / हाँ
गौर से
उठा और शब्द - शब्द
पोंछ" 5

'मेरे दाँत रखे हैं' ---अर्थात कविता के प्रत्येक शब्द अनुभव से गड़ा गाया है।

नेता देश को लुटने केलिए देश की जनता को भ्रमित करते रहते है। भोट केलिए इन भ्रष्ट नेताएँ अपनी छवी कुछ इस प्रकार बनालेते है कि जनता उसे अपना हम-दर्द, हम-सफ़र मानने लग जाती है। पर कवि धूमिल इस भ्रम का शफायाँ करते है -- वे लिखते हैं " खुटी पर टँरे हुये कुर्ते को मत निहार" अर्थात ये कुर्ते वाले (नेता) अपने स्वार्थ की पूर्ति केलिए शब्दों के अर्थ को तोड़ - मरोड़ कर अर्थ का अनार्थ कर देंगें देश की परिस्थिति के याथार्थ छवी को बदल कर रख देते है। इसीलिए कवि जनता से कहते है----

"बेमतलब मत सोच,

चल !
अपना काम कर
फटी हुई बाँह से
देश की गरिबी का
क्या मतलब।" 6

उन नेताओं को देश को गरीबी, भुखमरी से कोई मतलब नहीं है। वे तो अपनी स्वार्थ की सिद्धि से ही मतलब रखते है। अत: इनके द्वारा फैलाएँ भ्रम सी रहना नहीं है। उसे तेमेंड़ कर सच्चाई को देखना है, तभी यथार्थ दिशाई देगा।

सन्दर्भ ग्रन्थ :

1) धूमिल की कविता में विरोध और संघर्ष, नीलम सिंह, लोकभारती, प्रकाशन पृ-88
2) समकालीन कविता, डॉ मालती तिवारी, विश्वविद्यालय प्रकाशन, वाराणशी, पृ-39
3) वहीं 4) वहीं 5) वहीं 6) वहीं

◆◆◆

# जीवन

Sweta Kumari
3rd Semester
Hindi Department

जीवन पुण्य है,
सुगन्ध फैलाने का॥
जीवन निश्चय है,
जीवन सुअवसरहै,
सुयोग्य करने का॥
जीवन संधर्ष है,
विपत्तियों से जूझने का,
मंजिल एक जाने का॥
जीवन कर्त्तव्य है,
सदैव निभाने का।
जीवन विश्वास है,
सफलता पाने का॥

◆◆◆





## सरस्वती माँ

तुम्हारे चरणों में बसता है ज्ञान
तुम्हारी वीणा में है सभीका प्राण
माँ तुम हो ज्ञान की देवी
तुमसे बहते है संगीत की त्रिवेणी
तुम ही हो ज्ञान की रौशनी
माँ तुम ही देवी
जय माँ सरस्वती॥

Rubina Sultana
5th Semester
Hindi Department

◆◆◆



## Teaching Staff

### Assamese Dept.



**From Right** Mitali Lahkar, (Part Timer) Bharati Devi (Asstt. Prof.), Dr. Mrigendra Nath Sarma (Asstt. Prof.), Dr. Bhaskar Patgiri, (H.O.D)

### Education Dept.



**From Right** Ayez Uddin, (Part Timer), Jashmin Bahar (H.O.D), Mofida Begum (Asstt. Prof.), Dhrijumoni Das (Asstt. Prof.)

### English Dept.



**From Left** Kamaruj Jaman (Asstt. Prof.), Priyanka Basumatary (H.O.D), Pankaj Kr. Kalita (Asstt. Prof.)

### Economics Dept.



**From Left** Himangshu Das (H.O.D), Eli Kumari Das (Asstt. Prof.), Labanita Deka, (Part Timer), Sadhana Kalita (Asstt. Prof.)

## History Dept.



**From Left** Liky Deka, (Part Timer), Himadree Kumar Sarma (Asstt. Prof.), Rashmirekha Hazarika (H.O.D)

## Hindi Dept.



**From Right** Ramesh Kumar Rai (Asstt. Prof.), Kakumani Bharadwaz, (Part Timer), Dibyajyoti Deka (H.O.D)

## Philosophy Dept.



**From Left** Rumi Barman (Asstt. Prof.), Bornali Mohan (H.O.D), Nashmin Ara Begum, (Part Timer)

## Political Science Dept.



**From Right** Kabita Das, (Part Timer), Lina Deka (H.O.D), Arup Kalita (Asstt. Prof.)

## Evs. Dept.



Nami Das, (Part Timer)

## Office Staff



**From Right Sitting** : Amar Das, Sailen Medhi Munindra Kalita, Sampurna Sarma **From Right Standing:** Anil Baishya, Narayan Patar, Mira Sarkar Murmu

## Library Staff

From Left : Sahidul Islam Phulrani Das Anjana Pathak



## Librarian



Phulrani Das

# INDEPENDENCE DAY





# REPUBLIC DAY






# SURGICAL STRIKE DAY OBSERVATION



NSS ACTIVITIES




NSS ACTIVITIES




NSS ACTIVITIES




## Events


International Women's Day


National Unity Day by NSS Cell


National Unity Day by NSS Cell


International Yoga Day Celebration


Remembering Dr Bhupen Hazarika

## Cleanliness Drive by NSS



Freshmen Social









Freshmen Social



A Talk by International Football Player Richard

Death of Smita Deka





Book Exhibition

Parents' Meet

Parents' Meet

Plantation on World Environment Day in Adopted Village by NSS Dept. of English & Hindi

Plantation on World Environment Day in Adopted Village by NSS

Pre- Independence Day QUIZ

Rabha Day Observation

Rengoni BirthDay

Teachers' Day

Sports Week

Saraswati Puja

Workshop

# Teachers and Union Body

